# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-04-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

অহা ২ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ কাইলৈ সামৰণি পৰিব। নিৰ্বাচন উপলক্ষে বিভিন্ন ৰাজনৈতিক দলৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে।

মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি বিশ্বনাথ, শোণিতপুৰ আৰু নগাঁৱত প্ৰচাৰ সভাত অংশ লয়।

বিজেপিৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড় জিলাৰ টিংখং, নাহৰকটীয়াৰ উপৰি দুলীয়াজানৰ ঘাঁহী ফুকনবাৰীত আয়োজিত জনসভাত অংশ লয়। সোণোৱালে আজি তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাৰ নগা পথাৰ ৰংগমঞ্চ, ডিকম কৰম ভৱন আৰু মনোহাৰী চাহ বাগিচাৰ খেল পথাৰত হ'বলগীয়া সভাত নিৰ্বাচনী প্ৰচাৰ চলাব।

শাসকীয় বিজেপি আৰু অসম গণ পৰিষদৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলৰ হৈ দুয়োটা দলে কালি ডিব্ৰুগড় জিলাৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ চলায়।

কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই কালি ৰঙানদী সমষ্টিৰ বিভিন্ন স্থানত প্ৰচাৰ কাৰ্যসূচীত অংশ লয়। সাংসদ গৌৰৱ গগৈয়ে যোৰহাট জিলাৰ বিভিন্ন স্থানত প্ৰচাৰ অব্যাহত ৰাখিছে।

ধুবুৰী জিলাৰ গৌৰীপুৰৰ খাগৰাবাৰীত কংগ্ৰেছৰ সাংসদ ৰকিবুল হুছেইনে কালি এখন নিৰ্বাচনী সভাত অংশ লয়।

নিৰ্বাচন উপলক্ষে ৰাজ্যৰ সকলো প্ৰান্ততে প্ৰশাসনৰ তৎপৰতা বৃদ্ধি পাইছে।

০০০০

অসম আৰক্ষীয়ে সন্ত্ৰাসবাদী কাৰ্যকলাপৰ সমৰ্থন জনাই মন্তব্য দিয়া লোকৰ বিৰুদ্ধে অভিযান চলাই এই পৰ্যন্ত ২৭ জন লোকক গ্ৰেপ্তাৰ কৰিছে। কাশ্মীৰৰ পহলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ সমৰ্থনত মন্তব্য দিয়া লোকৰ বিৰুদ্ধে অসম আৰক্ষীয়ে অভিযান চলাই যোৱা ২৪ ঘণ্টাত ৮ জন লোকক গ্ৰেপ্তাৰ কৰে। গোৱালপাৰা, তামুলপুৰ, ধুবুৰী, শ্ৰীভূমি, কোকৰাঝাৰ আৰু কামৰূপ জিলা আৰক্ষীয়ে কালি এই লোকসকলক গ্ৰেপ্তাৰ কৰে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ইতিপূৰ্বে অসম আৰক্ষীক দিয়া নিৰ্দেশ অনুসৰি দেশ বিৰোধী মন্তব্য কৰা লোকসকলক ততালিকে আটক কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি কয়, যে ৰাজ্য চৰকাৰে সন্ত্ৰাসবাদ বিৰোধী শক্তিশালী স্থিতি গ্ৰহণ কৰি আহিছে। একাংশ লোকে ভাৰতবৰ্ষত থাকিও দেশ বিৰোধী মন্তব্য কৰি পৰিৱেশ বিনষ্ট কৰি অহাৰ প্ৰতি লক্ষ্য ৰাখি অসম আৰক্ষীক এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ কঠোৰ নিৰ্দেশ দিয়া হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০০

বিগত চাৰি বছৰত ৰাজ্যৰ ১০ হাজাৰ হেক্টৰতকৈ অধিক বনভূমি দখলমুক্ত হৈছে। ৰাষ্ট্ৰীয় সেউজ প্ৰাধিকৰণৰ শেহতীয়া প্ৰতিবেদনত এই তথ্য প্ৰকাশ পাইছে। অৱশ্যে দেশৰ ভিতৰতে ৰাজ্যখনত দ্বিতীয় সৰ্বাধিক বনভূমি দখল হৈছে বুলি প্ৰতিবেদনত প্ৰকাশ পাইছে। ৰাজ্যখনৰ ৩ হাজাৰ ৬২১ বৰ্গ কিলোমিটাৰ

বনভূমি দখলকাৰীৰ কৰলত আছে । ৰাজ্য চৰকাৰে যোৱা ৪ বছৰত ১০ হাজাৰ ৯০৫ হেক্টৰো অধিক বনভূমি দখলমুক্ত কৰিছে। এই তালিকাখনৰ প্ৰথম স্থানত মধ্য প্ৰদেশ আছে বুলি প্ৰতিবেদনখনত উল্লেখ কৰা হৈছে। এই অনুসৰি দেশৰ ভিন্ন ৰাজ্যত বৰ্তমানেও ১৩ হাজাৰ বৰ্গ কিলোমিটাৰ বনভূমি দখলকাৰীৰ কৰলত আছে।

0000000

গোলাঘাট জিলাৰ সৰুপথাৰ সম জিলাৰ অন্তৰ্গত ছেৰাগুৰিৰ ঔটেঙা তল চুবুৰীত ডায়েৰীয়াসদৃশ ৰোগত বহু লোক আক্ৰান্ত হোৱাৰ লগতে এই ৰোগৰ ফলত দুগৰাকী মহিলাৰ মৃত্যু হৈছে। চাৰিদিন পূৰ্বে গাঁওখনৰ একাংশ লোক এনে ৰোগত আক্ৰান্ত হৈ সৰুপথাৰ আৰু গোলাঘাটত চিকিৎসাধীন হৈছিল। ইয়াৰে ৰুফিনা কৰ্মকাৰ আৰু পূৰ্ণিমা কেৰকেটা নামৰ মহিলা দুগৰাকী চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। স্বাস্থ্য বিভাগে গাঁওখনত স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰি জনসাধাৰণৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। স্থানীয় বিধায়ক বিশ্বজিৎ ফুকনেও কালি ঘটনাৰ বুজ লয়। একেদৰে জিলাখনৰ আয়ুক্তই কালি সৰুপথাৰৰ সমূহীয়া স্বাস্থ্য কেন্দ্ৰ পৰিদৰ্শন কৰি ৰোগীসকলৰ বুজ লয়।

0000000

মানকাচৰ আৰক্ষীয়ে বাংলাদেশ সীমান্তৱৰ্তী নিউ মাৰ্কেটত যোৱানিশা অভিযান চলাই ৩ হাজাৰ ৬০০ টা নিচাজাতীয় টেবলেট জব্দ কৰাৰ লগতে এজন সৰবৰাহকাৰীক আটক কৰে। ধৃত সৰবৰাহকাৰীজন বোৱালীয়া গাঁৱৰ আমিনুৰ ইছলাম বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। মেঘালয়ৰ পৰা মানকাচৰলৈ মাদকদ্ৰব্যখিনি অনাৰ সময়তে আৰক্ষীয়ে সৰবৰাহকাৰীজনৰ পৰা সামগ্ৰীখিনি জব্দ কৰিবলৈ সমৰ্থ হয়। ইপিনে, সন্ধিয়াৰ ভাগত ফকিৰগঞ্জ আৰক্ষীয়ে চলোৱা আন এটা অভিযানত ফকিৰগঞ্জৰ হজৰৎ নুৰুল ইছলাম নামৰ লোকজনৰ ঘৰৰ পৰা কেইবাগ্ৰাম হেৰ'ইন, ৫৪ টা নিচাজাতীয় টেবলেটৰ লগতে নগদ ধন জব্দ কৰে। অভিযানৰ উমান পাই লোকজনে পলায়ন কৰে বুলি ফকিৰগঞ্জ আৰক্ষীয়ে জানিবলৈ দিয়ে।

000000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি নতুন দিল্লীত হ'বলগীয়া এখন খেলত দেলহী কেপিটেলছ ক'লকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

১৪ বছৰ বয়সীয়া বৈভৱ সূৰ্যবংশীৰ ঐতিহাসিক শতকৰ সহায়ত যোৱা নিশা প্ৰতিযোগিতাৰ এখন খেলত ৰাজস্থান ৰয়েলছে গুজৰাট টাইটানছক ৮ উইকেটত পৰাস্ত কৰে। জয়পুৰৰ ছাৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ৰাজস্থানে ২৫ টা বল বাকী থাকোঁতেই ২১০ ৰানৰ বিজয় লক্ষ্য অতিক্ৰম কৰিবলৈ সমৰ্থ হয়।

ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰা গুজৰাটে নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেট হেৰুৱাই ২০৯ ৰাণ সংগ্ৰহ কৰে।

000000

ওদালগুৰি জিলাৰ মাজুলী চাহ বাগিচাত কালি বনৰীয়া হাতীৰ আক্ৰমণত এজন শ্ৰমিকৰ মৃত্যু হয়। চাহ বাগিচাখনৰ ৩৭ নম্বৰ শাখাত বনৰীয়া গছৰ পাত সংগ্ৰহ কৰি থকা অৱস্থাত শ্ৰমিকজনক হাতীয়ে আক্ৰমণ কৰে। মৃত্যু হোৱা শ্ৰমিকজন ভূটীয়া কৰ্মকাৰ বুলি চিনাক্ত কৰা হৈছে।

0000000